# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-05-2025
**Time :** 1800 HRS

***Assamese Evening Bulletin***

-------------------

ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাৱাইয়ে আজি ভাৰতৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ গাৱাইক শপতবাক্য পাঠ কৰোৱায়। ন্যায়াধীশ বি আৰ গাৱাই কালি কাৰ্যকাল সমাপ্ত হোৱা ন্যায়াধীশ সঞ্জীৱ খান্নাৰ স্থলাভিষিক্ত হ'ব। তেওঁ অহা ছমাহ দেশৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। ২০১৯ চনৰ পৰা উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰা গাৱাই বিমুদ্ৰাকৰণৰ পৰা আৰম্ভ কৰি নিৰ্বাচনী বণ্ডলৈকে কমেও ৩০০টা গোচৰৰ সৈতে জড়িত আছিল। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশে শপতগ্ৰহণ অনুষ্ঠানত ভাগ লয়।

ooooo

ৰাজ্য চৰকাৰে অহা ১৫ আগষ্টৰ ভিতৰত আৰু ১০ খন সমজিলা গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কামৰূপ, শোণিতপুৰ, যোৰহাট, তিনিচুকীয়া, কাছাৰ আৰু গোৱালপাৰাত এই সমজিলাকেইখন গঠন কৰা হ'ব। এই সমজিলাকেইখন হৈছে- বকো-ছয়গাঁও, পলাশবাৰী, ৰঙাপাৰা, বৰছলা, মৰিয়নি, টীয়ক, মাকুম, ডিগবৈ, ধলাই আৰু দুধনৈ। প্ৰশাসনক ব্যৱস্থাক সুশৃংখলিত কৰি জনসাধাৰণকেন্দ্ৰিক সেৱাসমূহ কম সময়ৰ ভিতৰত উপলভ্য কৰোৱাৰ লক্ষ্যৰে পূৰ্বে ৩৯ খন সমজিলা গঠন কৰা হৈছিল।

ooooo

ৰাজ্য চৰকাৰে চৰকাৰী কৰ্মচাৰীসকলৰ সপোনৰ ঘৰ নিৰ্মাণৰ সপোন বাস্তৱায়িত কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰা আপোন ঘৰ আঁচনিখনৰ সময়সীমা অহা বছৰৰ মাৰ্চলৈকে সম্প্ৰসাৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে আঁচনিখনৰ অধীনত নতুনকৈ ৩ হাজাৰ ৬০০তকৈ অধিক হিতাধিকাৰীক সুবিধা প্ৰদানৰ লক্ষ্য স্থিৰ কৰা হৈছে। এই আঁচনিখনৰ পৰা এতিয়ালৈকে ৪৩ হাজাৰ চৰকাৰী কৰ্মচাৰী লাভান্বিত হৈছে আৰু ৬২৪ কোটি টকাৰ ৰাজসাহায্য মুকলি কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এই বছৰ উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা, বিত্তীয় সাক্ষৰতা আৰু সাংকেতিক ভাষা - এই তিনিটা নতুন ঐচ্ছিক বিষয় প্ৰৱৰ্তন কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু আই আই টি গুৱাহাটীৰ সঞ্চালক উপস্থিতিত আই আই টি গুৱাহাটীত শিক্ষক শিক্ষয়িত্ৰীসকলৰ বাবে তিনি-দিনয়া আৱাসিক

কৃত্ৰিম বুদ্ধিমত্তা প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ পাঠ্যপুথি উন্মোচন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে এই পাঠ্যপুথি যুগুতাই উলিওৱাৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে আই আই টি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ শলাগ লয়।

ooooo

ৰাজ্যত বজ্ৰপাতৰ ফলত বিগত দুদিনত দুজন লোকে প্ৰাণ হেৰুৱাইছে। পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংছ' আৰক্ষী থানাৰ অধীনৰ সংৰে ছেনাৰ গাঁৱত যোৱা কালি বিয়লি অহা ধুমুহা-বৰষুণৰ সসময়ত বজ্ৰ পৰি তাৰা ইংতিকি নামৰ এগৰাকী ১৪ বছৰীয়া কিশোৰীয়ে মৃত্যুক আঁকোৱালি লয়। ইপিনে, শ্ৰীভূমি জিলাৰ হাছানপুৰত আজি বজ্ৰ পৰি এগৰাকী কলেজীয়া ছাত্ৰীৰ মৃত্যু হয়। মৃত ছাত্ৰীগৰাকী হাছানপুৰৰ ৪ নম্বৰ ৱাৰ্ডৰ জাহিদা পাৰবিন বুলি চিনাক্ত কৰা হৈছে।

ooooo

দেশৰ সুৰক্ষাৰ বাবে সেনাসকলে কৰা ত্যাগ আৰু বলিদানৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰজুৰি ১১ দিনীয়া **শৌৰ্য সন্মান যাত্ৰা** শীৰ্ষক ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী অব্যাহত আছে। অসম প্ৰদেশ বিজেপিয়ে আজি আদাবাৰীৰ অটল উদ্যানৰ পৰা কামাখ্যা মন্দিৰৰ নামনিলৈ ত্ৰিৰংগ যাত্ৰা উলিয়ায়। বিজেপিৰ নেতা-কৰ্মীৰ উপস্থিতিত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই যাত্ৰাৰ শুভাৰম্ভ কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, সাংসদ বিজুলী কলিতা মেধিকে ধৰি দলৰ কৰ্মকৰ্তাসকলে হাতে হাতে পতাকা লৈ, বন্দে মাতৰম ধ্বনি দি এই যাত্ৰাত অংশ লয়। ত্ৰিৰংগ যাত্ৰাত অংশ লৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে অপাৰেচন সিন্দূৰৰ জৰিয়তে সেনাই গৌৰৱ আৰু পৰাক্ৰমৰ নিদৰ্শন দাঙি ধৰিছে। ৰাজ্যবাসীক ত্ৰিৰংগ যাত্ৰাৰ অংশীদাৰ হৈ সেনাবাহিনীৰ এই বিক্ৰমক উদযাপন কৰিবলৈ তেওঁ আহ্বান জনায়। এই কাৰ্যসূচীত অংশ লৈ দিলীপ শইকীয়াই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতীয় সেনাই সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিখুঁত পৰিকল্পনাৰে আক্ৰমণ কৰি সন্ত্ৰাসবাদীক শৰণ দিয়া পাকিস্তানক উচিত প্ৰত্যুত্তৰ দিবলৈ সমৰ্থ হৈছে।

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে কাৰ্বি আংলঙৰ ডিফু চহৰত ডিফু ৰাষ্ট্ৰীয় সুৰক্ষা নাগৰিকৰ উদ্যোগত ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, সাংসদ অমৰছিং তিছ', বিধায়ক বিদ্যাছিং ইংলেঙৰ লগতে বিজেপিৰ কেইবাগৰাকীও কৰ্মকৰ্তাই যাত্ৰাত অংশ লয়। ৰাজ্যখনত কাইলৈ আৰু পৰহিলৈ জিলা পৰ্যায়ত আৰু ১৮ মে'ত বুথ পৰ্যায়ত ত্ৰিৰংগ যাত্ৰা আৰম্ভ হ'ব।

ooooo

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাক জনসাধাৰণৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে আকাশবাণীয়ে কেতবোৰ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি আকাশবাণী দিল্লী কেন্দ্ৰই পৰমবীৰ চক্ৰ লাভ কৰা দেশৰ বীৰ সেনানীসকলৰ বীৰগাঁথা কাইলৈৰ পৰা প্ৰতিখন বাতৰি বুলেটিনতে প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগেও কাইলৈৰ পৰা ইয়াৰ বাতৰি বুলেটিনসমূহত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰ কৰিব। ইয়াৰ উপৰি অহা ১৭ মে'ৰ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত, ১৮ মে'ৰ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব।

ooooo

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে যোৰহাটতো জিলা প্ৰশাসনৰ সহযোগত কৃষক পঞ্জীয়ন কাৰ্যসূচী অব্যাহত আছে। জিলা কৃষি বিষয়া কাৰ্যালয় আৰু জিলাখনৰ সাধাৰণ সেৱা কেন্দ্ৰসমূহত এই পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছে। পঞ্জীয়ন প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰি তোলাৰ বাবে জিলা প্ৰশাসনে গাঁওসমূহত ঘৰে ঘৰে পঞ্জীয়নৰ ব্যৱস্থা হাতত লৈছে। উল্লেখযোগ্য যে কৃষি বিভাগৰ প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিকে ধৰি যিকোনো আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ কৃষক পঞ্জীয়নৰ প্ৰয়োজন হয়।

ooooo

সমাপ্ত